# দৰ্শন

পঞ্চম খণ্ড

## বাস্তৱবাদ—সৰল আৰু বৈজ্ঞানিক (Realism – Naive and Scientific)

এই খণ্ডৰ অধ্যয়নৰ পৰা বিদ্যাৰ্থীসকলে —

- জ্ঞানৰ বিষয়বস্তু সম্পৰ্কীয় বাস্তৱবাদ আৰু ইয়াৰ প্ৰকাৰ সম্পৰ্কে জানিব পাৰিব।

**বিষয়বস্তু**

- সৰল বা লৌকিক বাস্তৱবাদ
- সৰল বাস্তৱবাদৰ বৈশিষ্ট্যসমূহ
- বিজ্ঞানসন্মত বাস্তৱবাদ
- বৈজ্ঞানিক বাস্তৱবাদৰ বৈশিষ্ট্যসমূহ

উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত আমি বাস্তৱবাদ কি আৰু তাৰ বৈশিষ্ট্যসমূহ কি কি আলোচনা কৰিছো। এই অধ্যায়ত বাস্তৱবাদৰ বিভিন্ন প্ৰকাৰৰ ভিতৰত সৰল আৰু বৈজ্ঞানিক বাস্তৱবাদৰ বিষয়ে আলোচনা কৰিম।

### • সৰল বা লৌকিক বাস্তৱবাদ (Naive Realism)

সৰল বা লৌকিক বাস্তৱবাদ, বাস্তৱবাদৰ সৰলতম প্ৰকাৰ। বাস্তৱবাদৰ এটা প্ৰকাৰ হিচাপে ইয়াৰ মুখ্য কথা হ'ল যে জ্ঞানৰ বিষয়বস্তু জ্ঞাতাৰ মনৰপৰা স্বতন্ত্ৰ। জ্ঞাতাই কোনো বস্তুক ইয়াৰ সকলোবোৰ গুণেৰে সৈতে প্ৰত্যক্ষভাৱে জানিব পাৰে। জ্ঞাতাই যি ধৰণে বস্তু এটাক প্ৰত্যক্ষ কৰে বস্তুটোৰ প্ৰকৃত স্বৰূপ তেনেকুৱাই। জ্ঞাতা আৰু জ্ঞেয়ৰ মাজত কোনো মধ্যম পন্থা নাথাকে। স্বচ্ছ দাপোন এখনত কোনো বস্তু যিধৰণে প্ৰতিবিম্বিত হয়, এনেদৰে জ্ঞানৰ বিষয়বস্তু আমাৰ সন্মুখত হুবহু প্ৰতিফলিত হয়।

সৰল বাস্তৱবাদ (Naive Realism) নামটো ডুৰান্ট ড্ৰেক নামৰ দাৰ্শনিকজনে তেওঁৰ "Invitation to Philosophy" গ্ৰন্থখনত পোনপ্ৰথমবাৰৰ কাৰণে প্ৰয়োগ কৰিছিল। সৰল বাস্তৱবাদৰ মুখ্য কথা হ'ল যে বাহ্য বস্তুত থকা তাৰ সকলো প্ৰকাৰৰ গুণ যেনে— ৰূপ, ৰস, গোন্ধ, বিস্তৃতি, আয়তন, দৈৰ্ঘ্যতা আদি সকলোবোৰৰে মন নিৰপেক্ষ স্বতন্ত্ৰ অস্তিত্ব আছে। ইয়াক সৰল বাস্তৱবাদ বোলা হয়, কাৰণ বাহ্য বস্তুৰ অস্তিত্ব সম্পৰ্কে কোনো দাৰ্শনিক বা বৈজ্ঞানিক বিশ্লেষণ নকৰাকৈ অতি সৰলভাৱে ইয়াক ব্যাখ্যা কৰা হয়।

সৰল বাস্তৱবাদে কোনো বস্তুৰ অস্তিত্ব সম্বন্ধে লোক অৰ্থাৎ সাধাৰণ মানুহে যিধৰণে চিন্তা কৰে, তাক সেই ধৰণেই ব্যাখ্যা কৰে। সেই কাৰণেই চেলাৰ্চ (R.W. Sellers) নামৰ দাৰ্শনিকজনে ইয়াক লৌকিক বাস্তৱবাদ (Popular Realism) বা প্ৰাকৃতিক বাস্তৱবাদ (Natural Realism) আখ্যা দিছে। সৰল বাস্তৱবাদৰ মতে, আমাৰ ইন্দ্ৰিয়ৰ দ্বাৰা বাহ্যিক বস্তুৰ লগত হোৱা প্ৰত্যক্ষ সম্পৰ্কৰদ্বাৰা আমাৰ বাহ্য বস্তুৰ জ্ঞান হয়। ইন্দ্ৰিয়ৰ প্ৰত্যক্ষ অভিজ্ঞতাই যিধৰণে জ্ঞান দিয়ে, বস্তুৰ স্বৰূপো তেনে ধৰণৰেই। সেয়েহে ইয়াক প্ৰত্যক্ষ বাস্তৱবাদো (Direct Realism) বোলা হয়।

সৰল বাস্তৱবাদে জড় পদাৰ্থৰ দ্বাৰা গঠিত এখন জগতক বিশ্বাস কৰে। এই জড় জগতখনৰ লগৰ্ত জড়িত যিকোনো বচনেই আমাৰ কোনো বস্তুৰ লগত হোৱা ইন্দ্ৰিয়ৰ অভিজ্ঞতা বহন কৰে। এই বস্তুবোৰ আমি প্ৰত্যক্ষ কৰিলেহে যে অস্তিত্বশীল তেনেকুৱা নহয়। সেইবোৰক প্ৰত্যক্ষ নকৰিলেও একেধৰণেই অস্তিত্বশীল হৈ থাকে। গতিকে বাহ্য বস্তুৰ অস্তিত্ব প্ৰত্যক্ষ নিৰপেক্ষ। প্ৰত্যক্ষ কৰিলেও বা নকৰিলেও তাৰ গুণবোৰৰ সৈতে বস্তুটো একেদৰে অস্তিত্বশীল হৈ থাকে।

সৰল বাস্তৱবাদৰ মুখ্য বৈশিষ্ট্যবোৰ হ'ল —

(১) জ্ঞানৰ বিষয়বস্তু জ্ঞাতাৰ মনৰপৰা স্বতন্ত্ৰ। বাহ্যিক বস্তু এটা আছে নে নাই তাক জ্ঞাতাই জনা বা নজনাৰ ওপৰত নিৰ্ভৰ নকৰে। আমি জানিলেও বা নাজানিলেও বস্তু এটা একে ধৰণেই অস্তিত্বশীল হয়।

(২) মনৰ বাহিৰত এখন বাহ্যিক জগত আছে।

(৩) বাহ্যিক জগতৰ জ্ঞান আমি প্ৰত্যক্ষৰ জৰিয়তেই লাভ কৰো। প্ৰত্যক্ষই বাহ্যিক জগতখনক যিধৰণে দেখে, তাৰ স্বৰূপ তেনেকুৱাই হয়।

(৪) বাহ্যিক জগতখনৰ বিষয়বস্তুৰ জ্ঞান তাৰ গুণৰদ্বাৰা জনা যায়। গুণসমূহ বস্তুৰ ধৰ্ম। বস্তুৰ বিভিন্ন গুণ, যেনে— ৰূপ, ৰস,গোন্ধ, বিস্তৃতি আদি সকলোবোৰ মনৰপৰা স্বতন্ত্ৰ।

(৫) জ্ঞাতা আৰু জ্ঞেয়ৰ মাজৰ প্ৰত্যক্ষ সম্পৰ্ক থাকে। দুয়োৰে মাজত কোনো তৃতীয় বা মধ্যম পন্থা নাথাকে।

(৬) বাহ্য বস্তুৱে আমাৰ মনত সংবেদনৰ সৃষ্টি কৰে। সেই সংবেদন সকলোৰে কাৰণে একেধৰণৰ হয়।

(৭) সৰল বাস্তৱবাদ সত্যতাৰ অনুৰূপতাবাদ সিদ্ধান্তৰ (Correspondence theory of truth) সমৰ্থক। এই সিদ্ধান্ত মতে বস্তু এটাক যিধৰণে প্ৰত্যক্ষ কৰা যায় সেয়াই বস্তুটোৰ সত্যতা। গতিকে প্ৰত্যক্ষই বস্তু এটাৰ জ্ঞান আৰু তাৰ গুণসমূহৰ জ্ঞান একেলগে যোগান ধৰে।

সৰল বাস্তৱবাদৰ লগত জড়িত গুৰুত্বপূৰ্ণ কথাটো এয়াই যে ইয়েই সাধাৰণ মানুহৰ বাহ্য বস্তুৰ প্ৰতি যি ধাৰণা তাৰ এক দাৰ্শনিক ভিত্তিপ্ৰদান কৰিছে। তথাপিও সৰল বাস্তৱবাদৰ কিছুমান দোষ আছে। যেনে —

(১) সৰল বাস্তৱবাদে প্ৰত্যক্ষক অধিক গুৰুত্ব দিছে। প্ৰত্যক্ষক অধিক গুৰুত্ব দি সৰল বাস্তৱবাদে

প্ৰাচীন গ্ৰীক চফিষ্ট দাৰ্শনিকসকলে কৰা ভুলৰ পুনৰাবৃত্তি কৰিছে। প্ৰত্যক্ষজনিত জ্ঞানে দিয়া সীমাবদ্ধতাসমূহৰ সকলোবোৰ সৰল বাস্তৱবাদত বিদ্যমান।

(২) সৰল বাস্তৱবাদে সপোন, ভ্ৰান্ত জ্ঞান আদিক ব্যাখ্যা কৰিব নোৱাৰে। জৰী এডালক সাপ হিচাপে দেখা, প্ৰতিসৰণৰ জ্ঞান আদিবোৰক সৰল বাস্তৱবাদে ব্যাখ্যা কৰিব নোৱাৰে।

(৩) প্ৰত্যক্ষ নিৰ্ভৰ হোৱা হেতুকে সৰল বাস্তৱবাদত জ্ঞানৰ সাৰ্বিকতা লুপ্ত হৈ যায়। ৰূপ, ৰস, গোন্ধ আদিৰ অভিজ্ঞতা অপেক্ষিক। ই ব্যক্তিভেদে বা একেজন ব্যক্তিৰো অৱস্থাভেদে ভিন্ন হয়। সৰল বাস্তৱবাদে আপেক্ষিক জ্ঞানকো সাৰ্বিক জ্ঞান হিচাপে ভুল কৰে।

(৪) সৰল বাস্তৱবাদে জ্ঞানৰ আত্মনিষ্ঠতাক (Subjectivity) অস্বীকাৰ কৰে। কিন্তু জ্ঞান প্ৰক্ৰিয়াত বস্তুনিষ্ঠতা (Objectivity) আৰু আত্মনিষ্ঠতা (Subjectivity) উভয়ৰে ভূমিকা আছে।

(৫) সৰল বাস্তৱবাদে কোৱাৰ দৰে বাহ্য বস্তুৰ জ্ঞান মনৰপৰা সম্পূৰ্ণ স্বতন্ত্ৰ ধাৰণাটো শুদ্ধ নহয়। বাহ্য বস্তুৰ জ্ঞানে ধাৰণা বা প্ৰত্যয় (idea) ৰ সৃষ্টি কৰে। একেদৰে ধাৰণা বা প্ৰত্যয়েও বাহ্য বস্তু সম্পৰ্কে জ্ঞান দিয়ে।

গতিকে দেখা যায় যে সৰল বাস্তৱবাদক লৌকিক বা সাধাৰণ মানুহৰ বাহ্য বস্তু সম্পৰ্কে ধাৰণা বুলি ক'লেও ই এক যথাযথ মতবাদ নহয়। তাত্ত্বিক বা দাৰ্শনিক অৰ্থত ই এক দুৰ্বল মতবাদ।

- **বিজ্ঞানসন্মত বাস্তৱবাদ (Scientific Realism)**

বিজ্ঞানসন্মত বাস্তৱবাদৰ প্ৰৱৰ্তক ব্ৰিটিছ দাৰ্শনিক জন লক (John Locke)। সৰল বাস্তৱবাদৰ দোষ-ত্ৰুটিসমূহ আলোচনা কৰিয়ে বিজ্ঞানসন্মত বাস্তৱবাদৰ জন্ম হৈছে। বাস্তৱবাদৰ প্ৰকাৰ হিচাপে বৈজ্ঞানিক বাস্তৱবাদে মনৰ বাহিৰৰ এখন স্বতন্ত্ৰ জগতৰ অস্তিত্বক স্বীকাৰ কৰিছে। অৱশ্যে বাহ্য বস্তুৰ জ্ঞান কিদৰে পাব পাৰো তাৰ এক বৈজ্ঞানিক ভিত্তি লকে প্ৰদান কৰিছে।

জন লক এজন অভিজ্ঞতাবাদী দাৰ্শনিক। তেওঁ তেওঁৰ গ্ৰন্থ "Essay Concerning Human Understanding" গ্ৰন্থত জ্ঞানৰ প্ৰকৃতি সম্পৰ্কে বিস্তৃত আলোচনা কৰিছে। এই প্ৰসংগত তেওঁ বাহ্য বস্তুৰ প্ৰকৃতি আৰু জ্ঞাতাৰ লগত বাহ্য বস্তুৰ সম্পৰ্ক কেনেধৰণৰ তাক বৰ্ণনা কৰিছে। বাহ্যিক বস্তুৰ প্ৰকৃতি আৰু জ্ঞাতাই তাক কি ধৰণে জানিব পাৰে সেই প্ৰসংগত লকে বৈজ্ঞানিক ভিত্তি আগবঢ়াইছে। সেই কাৰণে তেওঁৰ বাস্তৱবাদক বৈজ্ঞানিক বাস্তৱবাদ বুলিও কোৱা হয়।

বৈজ্ঞানিক বাস্তৱবাদমতে, বস্তু এটাক আমি প্ৰত্যক্ষভাৱে জানিব নোৱাৰো। বস্তু এটাক তাৰ প্ৰতিকল্প বা প্ৰতিনিধিৰ (image or copy) ৰ জৰিয়তেহে জানিব পাৰো। বাহ্য বস্তু এটাৰ গুণৰ জৰিয়তে আমি বস্তুটো সম্বন্ধে জ্ঞান পাওঁ। কিন্তু বাহ্য বস্তুত থকা সকলোবোৰ গুণ মনৰপৰা স্বতন্ত্ৰ নহয়। অৰ্থাৎ গুণবোৰ কিছুমান বস্তুত থাকে, কিছুমান

জ্ঞাতাৰ মন বা চেতনাৰ ওপৰত নিৰ্ভৰ কৰে। বস্তুৰ বিভিন্ন গুণৰ যথাযথ বিচাৰ-বিবেচনা কৰি তেওঁৰ বাস্তৱবাদ প্ৰতিষ্ঠা কৰাৰ কাৰণে ইয়াক সবিচাৰ বাস্তৱবাদ হিচাপেও জনা যায়।

ইতিমধ্যে উল্লেখ কৰা হৈছে যে গুণৰ জৰিয়তেহে জ্ঞাতাই বস্তু এটাক জানিব পাৰি। লকৰ মতে গুণ দুই প্ৰকাৰৰ-

(ক) মুখ্য গুণ (Primary Quality)

(খ) গৌণ গুণ (Secondary Quality)

যিবোৰ গুণ মনৰপৰা স্বতন্ত্ৰ অৰ্থাৎ জ্ঞাতাৰ মনৰ ওপৰত নিৰ্ভৰশীল নহয়, বা যিবোৰ গুণ বস্তুৰ বস্তুগত ধৰ্ম তাক মুখ্য গুণ বোলে। যেনে— বস্তুৰ আকাৰ, ওজন, বিস্তৃতি, পৰিমাণ ইত্যাদি।

আনহাতে, যিবোৰ গুণ মনৰপৰা স্বতন্ত্ৰ নহয় অৰ্থাৎ জ্ঞাতাৰ মনৰ ওপৰত নিৰ্ভৰশীল বা যিবোৰ গুণ বস্তুৰ মনোগত ধৰ্ম তাক গৌণ গুণ বোলে। যেনে— বস্তুৰ ৰূপ, ৰস, গুণ, সোৱাদ ইত্যাদি।

গতিকে দেখা যায় যে মুখ্য গুণ আৰু গৌণ গুণ একে নহয়। এই দুই প্ৰকাৰৰ গুণৰ মাজত কিছুমান পাৰ্থক্য হ'ল— (১) মুখ্য গুণবোৰ বস্তুৰ মৌলিক বা প্ৰকৃত গুণ। মুখ্য গুণবোৰ সম্পূৰ্ণৰূপে বস্তুগত আৰু ই বস্তুৰ অনিবাৰ্য ধৰ্ম। আনহাতে, গৌণ গুণবোৰ বস্তুৰ মৌলিক বা প্ৰকৃত গুণ নহয়। গৌণ গুণবোৰ জ্ঞাতাৰ মনতহে থাকে।

(২) মুখ্য গুণবোৰ অপৰিবৰ্তনীয় গুণ। স্থান বা সময় পৰিবৰ্তন হ'লেও মুখ্য গুণবোৰ একেই থাকে। যেনে— কোনো বস্তুৰ আকৃতি, বিস্তৃতি আদিবোৰ সকলো সময়তে অপৰিবৰ্তনীয় হৈ থাকে। আনহাতে, গৌণ গুণবোৰ কিছুমান পৰিবৰ্তনশীল গুণ। স্থান বা ব্যক্তিভেদে গৌণ গুণবোৰ পৰিবৰ্তন হ'ব পাৰে। উদাহৰণ স্বৰূপে— ৰূপ, ৰস, গোন্ধ ইত্যাদিবোৰ ব্যক্তি বা স্থানভেদে পৰিবৰ্তন হয়।

(৩) বাহ্য বস্তুই হ'ল মুখ্য গুণবোৰৰ প্ৰকৃত আশ্ৰয় বা আধাৰস্বৰূপ। আনহাতে বাহ্য বস্তু আৰু জ্ঞাতাৰ মন উভয়ে গৌণ গুণৰ আশ্ৰয় বা আধাৰস্বৰূপ।

(৪) মুখ্য গুণে জ্ঞাতাৰ মনৰ ধাৰণা যথাযথভাৱে প্ৰতিফলিত কৰে। ইয়াৰ কাৰণ হ'ল মুখ্য গুণবোৰ প্ৰকৃত গুণ আৰু ইয়াৰ কোনো ধৰণৰ বিকৃত নহয়। আনহাতে, গৌণ গুণৰ যিহেতু নিজা স্বৰূপ নাই, গতিকে জ্ঞাতাৰ মনৰ ধাৰণাৰ লগত ই ভিন্ন ধৰণে প্ৰতিফলিত হয়। গৌণ গুণবোৰ মুখ্য গুণৰদ্বাৰা সৃষ্ট কিছুমান সংবেদনহে।

মুখ্য গুণবোৰ বস্তুগত হোৱা হেতুকে বস্তুৰ প্ৰকৃত স্বৰূপ কেৱল ইয়েই নিৰ্ধাৰণ কৰিব পাৰে। আনহাতে, যিহেতু গৌণ গুণ ব্যক্তিৰ মনৰ ওপৰত নিৰ্ভৰশীল। গতিকে ই বস্তুৰ প্ৰকৃত স্বৰূপ নিৰ্ধাৰণ কৰিব নোৱাৰে।

এইদৰে লকে মুখ্য গুণ আৰু গৌণ গুণৰ পাৰ্থক্য বিচাৰ কৰি বাহ্য বস্তুক জনাৰ এক বৈজ্ঞানিক ভিত্তি প্ৰদান কৰিবলৈ বিচাৰিছে। ইতিমধ্যে উল্লেখ কৰা হৈছে যে আমি বাহ্য বস্তুক প্ৰত্যক্ষভাৱে জানিব নোৱাৰো। প্ৰতীক (Representation) বা তাৰ প্ৰতিকল্পৰ (image or copy) জৰিয়তেহে বস্তু এটাক জানিব পাৰো। গতিকে লকৰ বৈজ্ঞানিক বাস্তৱবাদক,

প্ৰতীকবাদ (Representationalism) বুলিও কোৱা হয়। বৈজ্ঞানিক বাস্তৱবাদৰ মুখ্য বৈশিষ্ট্যসমূহ হ'ল-

(১) বৈজ্ঞানিক বাস্তৱবাদৰ মতে, আমাৰ জ্ঞানৰ বিষয়বস্তু জ্ঞাতাৰ মনৰপৰা স্বতন্ত্ৰ। অৱশ্যে এই বৈশিষ্ট্যটো সকলোবোৰ বাস্তৱবাদীৰে বৈশিষ্ট্য।

(২) বস্তুবোৰ তাৰ গুণৰ জৰিয়তেহে জানিব পাৰি। এই গুণসমূহৰ মুখ্য গুণসমূহ মনৰপৰা স্বতন্ত্ৰ। ব্যক্তিৰ মানসিক অৱস্থাই বিভিন্ন মুখ্য গুণ, যেনে- বস্তুৰ আকাৰ, বিস্তৃতি, দৈৰ্ঘ্যতা, পৰিমাণ আদিৰ পৰিৱৰ্তন কৰিব নোৱাৰে। কিন্তু গৌণ গুণসমূহ মন-সাপেক্ষ। স্থান, কাল বা ব্যক্তিভেদে গৌণ গুণবোৰ পৰিৱৰ্তন হ'ব পাৰে।

(৩) বৈজ্ঞানিক বাস্তৱবাদৰ মতে, বস্তু এটা আমি দেখিব নোৱাৰো। তাৰ প্ৰতিলিপি বা নকলহে জ্ঞাতাই দেখিবলৈ পায়।

(৪) জ্ঞান এটা সম্পূৰ্ণ স্বাধীন প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াৰদ্বাৰা বস্তুৰ প্ৰকৃত স্বৰূপ প্ৰভাৱান্বিত নহয়। এই প্ৰক্ৰিয়াই বস্তুৰ প্ৰতিলিপি বা নকলহে প্ৰভাৱান্বিত কৰে।

(৫) বৈজ্ঞানিক বাস্তৱবাদৰ মতে জ্ঞান এক পৰোক্ষ প্ৰক্ৰিয়া। জ্ঞান পৰোক্ষ কাৰণ জ্ঞানৰ বিষয়বস্তুক জ্ঞাতাই জানিব নোৱাৰে। তাৰ প্ৰতিলিপি বা প্ৰত্যয়কহে জানিব পাৰে।

(৬) বস্তুৰ প্ৰকৃত স্বৰূপ মুখ্য গুণেহে প্ৰকাশ কৰিব পাৰে। কাৰণ মুখ্য গুণসমূহ বস্তুৰ বস্তুগত ধৰ্ম আৰু ই অপৰিৱৰ্তনীয়।

এইদৰে বৈজ্ঞানিক বাস্তৱবাদৰ বৰ্ণনা কৰি লকে বাহ্য বস্তুক সদায় অজ্ঞাত আৰু অজ্ঞেয় (Unknown and unknownable) বুলি কৈছে। আমাৰ মন বা চেতনা এখন পৰ্দাৰ নিচিনা। জ্ঞানৰ বিষয়বস্তুবোৰ এই পৰ্দাত প্ৰতিবিম্বিত হয় আৰু ধাৰণা ৰূপে প্ৰতিফলিত হয়, গতিকে জ্ঞান হ'ল ধাৰণা স্বৰূপ এই বাহ্য বস্তুৰ প্ৰতীক। গতিকে লকৰ বাস্তৱবাদে প্ৰত্যক্ষ জ্ঞানৰ সম্ভাৱনীয় তাক অস্বীকাৰ কৰিছে। তেওঁৰ মতে জ্ঞান এক পৰোক্ষ প্ৰক্ৰিয়া।

### সমালোচনা

(১) লকৰ মতবাদ অনুসৰি জ্ঞাতাই কেৱল মনৰ ধাৰণাকহে জানিব পাৰে। এনেক্ষেত্ৰত ধাৰণাৰ বাহিৰত বাহ্য জগতৰ অস্তিত্বৰ জ্ঞান কোনো ধৰণে সম্ভৱ নহয়। গতিকে লকৰ বাস্তৱবাদ অনুসৰি বাহ্য জগতৰ অস্তিত্ব আমি নাজানো আৰু জানিবও নোৱাৰো। গতিকে বৈজ্ঞানিক বাস্তৱবাদে কোনো বস্তুৰ জ্ঞানৰ প্ৰসংগত যথেষ্ট সীমাবদ্ধতা আনি দিয়ে।

(২) বিজ্ঞানসন্মত বাস্তৱবাদে জ্ঞানৰ সত্যতা আৰু মিথ্যাত্বৰ ব্যাখ্যা দিব নোৱাৰে। কাৰণ লকে কয় যে জ্ঞাতাৰ ধাৰণাৰ লগত যদি বাহ্য বস্তুৰ সাদৃশ্য থাকে তেনেহ'লে জ্ঞান সত্য হয় আৰু সাদৃশ্য নাথাকিলে জ্ঞান মিথ্যা হয়। বিজ্ঞানসন্মত বাস্তৱবাদে কয় যে আমি বাহ্য বস্তুক প্ৰত্যক্ষ কৰিব নোৱাৰো। গতিকে বাহ্য বস্তুৰ লগত তাৰ ধাৰণাৰ সাদৃশ্য আছে নে নাই তাকো জানিব নোৱাৰি।

(৩) লকৰ মুখ্য আৰু গৌণ গুণৰ পাৰ্থক্য যুক্তিসংগত নহয়। বাৰ্কলি (Berkeley) নামৰ

দাৰ্শনিকজনে কৈছে যে গৌণ গুণবোৰ যিদৰে ব্যক্তিৰ মনৰ ওপৰত নিৰ্ভৰশীল, ঠিক একেদৰে মুখ্য গুণবোৰো ব্যক্তিৰ মনৰ ওপৰতো নিৰ্ভৰশীল। বাৰ্কলিয়ে উদাহৰণ দিছে যে এটা বস্তুৰ বিস্তৃতি, দৈৰ্ঘ্যতা বা ওজন ইত্যাদিবোৰ এজন মানুহৰ কাৰণে বেছি হ'লেও অন্য এজনৰ কাৰণে কম হ'ব পাৰে। গতিকে লকে কোৱাৰ দৰে কেৱল গৌণ গুণবোৰহে মনোগত কথাটো শুদ্ধ নহয়।

(৪) লকৰ বাস্তৱবাদে জগতখনক দুটা অংশত বিভক্ত কৰিছে — ধাৰণাৰ আত্মনিষ্ঠ জগত আৰু বাহ্য বস্তুৰ বস্তুনিষ্ঠ জগত। কিন্তু এই দুখন জগতৰ মাজত তেওঁৰ জ্ঞান তত্ত্বই এখন সেতু বান্ধিবলৈ সমৰ্থ হোৱা নাই। কাৰণ তেওঁ কৈছে যে ধাৰণাবোৰ বাহ্য বস্তুৰেই প্ৰতিলিপি বা নকল। কিন্তু এই ধাৰণাটোৰ সত্যতা বিচাৰ কৰিব নোৱাৰি, কাৰণ বাহ্য বস্তু অজ্ঞাত আৰু অজ্ঞেয়।

(৫) লকৰ বৈজ্ঞানিক বাস্তৱবাদত ভাৱবাদৰ প্ৰৱণতা দেখা যায়। কাৰণ, তেওঁৰ গৌণ গুণসমূহে জ্ঞাতাৰ আত্মনিষ্ঠতাৰ ওপৰত নিৰ্ভৰ কৰে। গতিকে লকৰ বৈজ্ঞানিক বাস্তৱবাদ, বস্তুবাদ আৰু ভাৱবাদৰ এক সংমিশ্ৰণ বুলিহে সমালোচিত হয়।

লকৰ বাস্তৱবাদ বিভিন্ন ধৰণে সমালোচিত হ'লেও জ্ঞান মীমাংসাত ই এক অতি গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছে। বিশেষকৈ সৰল বাস্তৱবাদৰ দোষ-ত্ৰুটিসমূহ কিছু পৰিমাণে হ'লেও হ্ৰাস কৰাত ই সমৰ্থ হৈছে। লগতে ভাৱবাদৰ লগত ই সংমিশ্ৰিত হ'লেও দাৰ্শনিক সমস্যা সমাধানৰ ক্ষেত্ৰত ভাৱবাদী প্ৰৱণতাই পৰোক্ষভাৱে ইয়াক সহায়হে কৰিছে। কাৰণ জ্ঞান মীমাংসাৰ সিদ্ধান্তবোৰ সমাধানৰ ক্ষেত্ৰত কান্টে কোৱাৰ দৰে অকল বাস্তৱবাদ নিজে নিজেই স্বয়ংসম্পূৰ্ণ নহয়।

## পাঠৰ মূলকথা

বাস্তৱবাদৰ মুখ্য কথা হ'ল যে জ্ঞানৰ বিষয়বস্তু জ্ঞাতাৰ মনৰ ওপৰত নিৰ্ভৰশীল নহয়। কিন্তু জ্ঞানৰ বিষয়বস্তু সম্পূৰ্ণভাৱে নে আংশিকভাৱে মন-নিৰপেক্ষ তাক লৈ বাস্তৱবাদৰ চাৰিটা প্ৰকাৰ। সৰল বাস্তৱবাদ, বাস্তৱবাদৰ সৰলতম প্ৰকাৰ। ইয়াক লৌকিক বাস্তৱবাদ, প্ৰাকৃতিক বাস্তৱবাদ বা সাধাৰণ মানুহৰ বাহ্যবস্তু সম্বন্ধে ধাৰণা আদি ভিন্ন ধৰণে জনা যায়। সৰল বাস্তৱবাদৰ মতে, বাহ্যবস্তুক আমি যিধৰণে প্ৰত্যক্ষ কৰো, তাৰ স্বৰূপ ঠিক তেনেধৰণৰেই। সাধাৰণ মানুহৰ মাজত ই জনপ্ৰিয়তা অৰ্জন কৰিলেও তাত্ত্বিক অৰ্থত সৰল বাস্তৱবাদ এটা দুৰ্বল দাৰ্শনিক সূত্ৰ।

বৈজ্ঞানিক বাস্তৱবাদৰ প্ৰৱৰ্তক অভিজ্ঞতাবাদী দাৰ্শনিক জন লক। লকৰ মতে আমি বস্তু এটাক নাজানো, তাৰ হুবহু ধাৰণা বা প্ৰতিলিপিকহে জানো। বস্তু এটাক তাৰ গুণৰ জৰিয়তে জনা যায়। গুণ দুই প্ৰকাৰৰ — মুখ্য আৰু গৌণ। মুখ্য গুণ অপৰিৱৰ্তনীয়, প্ৰকৃত আৰু বস্তুৰ বস্তুগত ধৰ্ম। গৌণ গুণ পৰিৱৰ্তনশীল, মন নিৰ্ভৰশীল আৰু আত্মগত।

লকৰ মতে, বাহ্যবস্তু অজ্ঞাত আৰু অজ্ঞেয়। লকৰ বাস্তৱবাদক বৈজ্ঞানিক বাস্তৱবাদ বা প্ৰতীকবাদ আদি ভিন্ন নামেৰে জনা যায়। লকৰ গৌণ গুণৰ মন সাপেক্ষতাই তেওঁৰ দৰ্শনক এক ভাৱবাদী প্ৰৱণতা প্ৰদান কৰিছে। তেওঁৰ বাস্তৱবাদ লৌকিক বাস্তৱবাদৰ তুলনাত এক উন্নত মতবাদ হ'লেও বাহ্যবস্তুৰ স্বৰূপ সম্বন্ধে দিয়া তেওঁৰ মতবাদ বিভিন্ন ধৰণে সমালোচিত হয়। তথাপিও জ্ঞান মীমাংসাৰ ইতিহাসত এই মতবাদে যথেষ্ট তাৎপৰ্য বহন কৰিছে।

## অনুশীলনী

**(ক) তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া ঃ**

১। সৰল বাস্তৱবাদ কি? সৰল বাস্তৱবাদৰ সাধাৰণ বৈশিষ্ট্যসমূহ লিখা।

২। বৈজ্ঞানিক বাস্তৱবাদ কি? ইয়াৰ বৈশিষ্ট্যসমূহ কি কি?

৩। মুখ্য গুণ আৰু গৌণ গুণৰ পাৰ্থক্য নিৰ্ণয় কৰা।

৪। লকৰ বৈজ্ঞানিক বাস্তৱবাদ এটা সন্তোষজনক সূত্ৰ হয়নে? যুক্তি দিয়া।

**(খ) চমুটোকা লিখা ঃ**

(ক) সৰল বা লৌকিক বাস্তৱবাদ

(খ) মুখ্য গুণ

(গ) গৌণ গুণ

(ঘ) জন লকৰ প্ৰতীকবাদ

**(গ) পাৰ্থক্য লিখা ঃ**

(ক) সৰল আৰু বৈজ্ঞানিক বাস্তৱবাদৰ